তোমালোকে ছাহৰী খোৱা, কাৰণ ছাহৰীত বৰকত আছে।

আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: নবী চাল্লাল্লাহু
আলাইহি অছাল্লামে কৈছে: "তোমালোকে ছাহৰী খোৱা, কাৰণ ছাহৰীত বৰকত আছে।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত ছাহৰী খাবলৈ উৎসাহিত কৰিছে। ৰাতিৰ শেষ ভাগত ফজৰৰ আজানৰ পূৰ্বে ৰোজা ৰাখিবলৈ খোৱা আহাৰক ছাহৰী বোলে। কিয়নো ইয়াত বৰকত আছে তথা বহুতো কল্যাণ আছে আৰু আজৰ অ ছাৱাব আছে, সেইকাৰণে তেখেতে ইয়াৰ প্ৰতি উৎসাহিত কৰিছে। লগতে ৰাতিৰ শেষ ভাগত দুআ কৰাৰ আৰু ৰোজাৰ বাবে শক্তি আহৰণ কৰাৰ, সক্ৰিয়তা লাভ কৰাৰ আৰু কষ্ট লাঘৱ কৰাৰ এইটো হৈছে এটা অন্যতম উপায়।

http://sunnah.global/hadeeth/as/show/4498